নং ঃ ২৩২/২০২০

ৰাজ্যৰ অৰ্থনীতিবিদসকলৰ পৰামৰ্শৰ প্ৰতি ৰাজ্য চৰকাৰৰ তাৎক্ষণিক সঁহাৰি

# অসমৰ অৰ্থনীতিৰ পুনৰুজ্জীৱিতকৰণৰ কৌশল নিৰ্ধাৰণৰ বাবে পৰামৰ্শদাতা সমিতি গঠন কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত গঠন আঠজনীয়া পৰামৰ্শদাতা সমিতি

**দিছপুৰ, ০৩ মে’ ঃ** ক’ভিড-১৯ সৃষ্ট দুৰ্যোগে অসমৰ অৰ্থনীতিলৈ নমাই অনা স্থৱিৰতাৰ অৱসান ঘটাই ৰাজ্যখনৰ অৰ্থনৈতিক প্ৰেক্ষাপটৰ পুনৰুজ্জীৱিতকৰণৰ কৌশল নিৰ্ধাৰণৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এক পৰামৰ্শদাতা সমিতি গঠন কৰে। ভাৰতীয় অসামৰিক সেৱাৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত গঠন কৰা এই আঠজনীয়া সমিতিয়ে ৰাজ্যৰ সাম্প্ৰতিক অৰ্থনৈতিক প্ৰেক্ষাপটৰ বিভিন্ন দিশ অধ্যয়ন কৰিব আৰু এই সংকটৰ পৰা ৰাজ্যখনক এক আৰ্থিকভাৱে সচ্চল অৱস্থালৈ অনাৰ বাবে ল’বলগীয়া সময়সাপেক্ষ পদক্ষেপসমূহ সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিব। সমিতিৰ অন্যান্য সদস্যসকল হৈছে অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ডঃ কে এম বুজৰবৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ মাধুৰ্য বেজবৰুৱা, অমিয় কুমাৰ দাস ইনষ্টিটিউট অব ছ’চিয়েল ছেইঞ্জ এণ্ড ডেভেলপমেণ্টৰ সহযোগী অধ্যাপক ডঃ জয়দীপ বৰুৱা, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ কাৰ্যবাহী সঞ্চালক ডঃ অমিয় শৰ্মা, এৰিয়াছ ছ’চাইটিৰ কৃষি-বাণিজ্য পৰামৰ্শদাতা গৌতম গোস্বামী, ভাৰতীয় কিষাণ সংঘৰ ৰাজ্যিক সাংগঠনিক সম্পাদক কৃষ্ণকান্ত বৰা আৰু বিশিষ্ট সাংবাদিক অদীপ কুমাৰ ফুকন।

উল্লেখযোগ্য যে যোৱা ২৮ এপ্ৰিল তাৰিখে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ ২৯গৰাকীকৈ বিশিষ্ট অৰ্থনীতিবিদ আৰু বিশেষজ্ঞৰ সৈতে এক বৈঠকত মিলিত হৈছিল। আলোচনাকালত অৰ্থনীতিবিদসকলে ৰাজ্যখনক অৰ্থনৈতিকভাৱে স্বনিৰ্ভৰশীল কৰি তোলাৰ লগতে ক’ভিড-১৯ সৃষ্ট আৰ্থিক সংকটৰ জোৰা মৰাৰ বাবে বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পদক্ষেপ গ্ৰহণৰ পৰামৰ্শ প্ৰদান কৰিছিল। অৰ্থনীতিবিদসকলে ৰাজ্যৰ অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ বাবে কেতবোৰ বিশেষজ্ঞ সমিতি আৰু টাস্ক ফ’ৰ্চ গঠনৰো পৰামৰ্শ আগবঢ়াইছিল। তেওঁলোকৰ পৰামৰ্শৰ প্ৰতি তাৎক্ষণিক সঁহাৰি স্বৰূপেই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এই পৰামৰ্শদাতা সমিতি গঠন কৰে।

**প্ৰঃকুঃবঃ**
**০৩/০৫/২০২০**